# স্নাতক ষষ্ঠ ষাণ্মাসিক (সাধাৰণ পাঠ্যক্ৰম)
## বিষয় ঃ শিক্ষা
## কাকত ঃ ৬.১ (শৈক্ষিক প্ৰযুক্তি বিজ্ঞান)
## পাঠ ঃ যোগাযোগ আৰু আন্তঃক্ৰিয়া

**শ্ৰেণীকোঠাৰ যোগাযোগত বাধাপ্ৰদানকাৰী দিশ ঃ**

শ্ৰেণীকোঠাৰ যোগাযোগত বাধাপ্ৰদানকাৰী দিশসমূহ তলত উল্লেখ কৰা হ'ল ঃ

১) শাৰীৰিক বা দৈহিক বাধা ।

i) **পৰিৱেশ ঃ** শ্ৰেণীকক্ষৰ যোগাযোগত পৰিৱেশে যথেষ্ঠ প্ৰভাৱ পেলায়। অত্যাধিক গৰম, বেয়া বতৰ যেনে ঃ- বিজুলী, ঢেৰেকণি, আন্ধাৰ আদিয়ে শ্ৰেণীকক্ষৰ যোগাযোগত বাধা প্ৰদান কৰে।

ii) **শব্দ ঃ** সফল যোগাযোগত বাধা প্ৰদান কৰা এক কাৰক হৈছে শব্দ। এই ক্ষেত্ৰত তিনিপ্ৰকাৰ শব্দ উল্লেখ কৰিব পাৰি।

**(ক) দৈহিক শব্দ ঃ** দৈহিক শব্দ বুলি ক'লে সাধাৰণতে কল-কাৰখানাৰ ইঞ্জিনৰ শব্দ, বাহিৰৰ কোলাহল আদি।

**(খ) লিখাৰ শব্দ ঃ** বিসংগতিপূৰ্ণভাৱে লিখা-মেলা কৰিলে হোৱা শব্দ।

iii) **অনুপযুক্ত সময় ঃ** অনুপযুক্ত সময়েও শ্ৰেণীকোঠা যোগাযোগত বাধা প্ৰদান কৰে। শ্ৰেণীৰ ৰুটিন প্ৰস্তুত কৰোতে এটা শ্ৰেণীৰ দৈৰ্ঘ্য অত্যধিক দীঘল হ'লে ছাত্ৰ-ছাত্ৰীয়ে অৱসাদ বা ক্লান্তি অনুভৱ কৰিব পাৰে। ফলত যোগাযোগত বাধা আহি পৰে।

iv) **অদৃশ্যতা/দূৰত্ব ঃ** দৈহিক দূৰত্বতাই প্ৰেৰক আৰু গ্ৰাহকৰ মাজৰ যোগাযোগত বাধা প্ৰদান কৰে। উদাহৰণস্বৰূপেঃ- অতি ডাঙৰ শ্ৰেণীকোঠা, ছাত্ৰ-শিক্ষকৰ মাজৰ চকুৰ সম্বন্ধ ৰক্ষা কৰাৰ অসুবিধা আদি উল্লেখ কৰিব পাৰি।

v) **শাৰীৰিক অসুবিধা/ৰুগীয়া স্বাস্থ্য ঃ** শ্ৰেণীকোঠাৰ চকী-মেজ, ডেস্ক-বেঞ্চ যদি নিম্ন মানৰ হয়, বহাৰ অসুবিধা হয় তেন্তে ছাত্ৰ-ছাত্ৰীসকলে বাৰ্তা গ্ৰহণ কৰাত অসুবিধাৰ সন্মুখীন হয়। প্ৰেৰক আৰু গ্ৰাহকৰ যদি ৰুগীয়া স্বাস্থ্য হয় তেনে ক্ষেত্ৰতো যোগাযোগত বাধা আহে।

(২) **ভাষিক বাধা ঃ** ভাষা অবিহনে যোগাযোগ সম্ভৱ হ'ব নোৱাৰে। ভাষিক বাধা বুলিলে নিম্নলিখিত দিশসমূহ উল্লেখ কৰিব পাৰি।

i) **ভাষিক অদক্ষতা ঃ** প্ৰেৰক আৰু গ্ৰাহকৰ মাজত ভাষিক অদক্ষতাই যোগাযোগত ব্যাঘাত জন্মায়। প্ৰেৰকৰ উচ্চাৰণ যদি অস্পষ্ট বা দুৰ্বল হয় তেতিয়া শ্ৰেণীকোঠাৰ যোগাযোগত বাধা প্ৰদান কৰে।

ii) **অস্পষ্ট চিত্ৰ আৰু চিহ্ন ঃ** চিত্ৰ আৰু চিহ্নৰ অস্পষ্ট ব্যৱহাৰেও শ্ৰেণীকোঠাৰ যোগাযোগত বাধা প্ৰদান কৰে।

iii) **শব্দ বহুলতা ঃ** শ্ৰেণীকোঠাৰ যোগাযোগত প্ৰেৰকে সহজ শব্দ ব্যৱহাৰ নকৰিলেও গ্ৰাহকসকলে বুজাৰ ক্ষেত্ৰত বাধা জন্মাব পাৰে।

(৩) **মনোবৈজ্ঞানিক বাধা ঃ** শ্ৰেণীকোঠাৰ যোগাযোগত মনোবৈজ্ঞানিক কাৰক যেনে— মনোযোগ, আগ্ৰহ, প্ৰনোদন আদিয়ে প্ৰেৰক আৰু গ্ৰাহকক প্ৰভাৱিত কৰা মনোবৈজ্ঞানিক বাধাৰ দিশসমূহ হ'ল—

i) **পূৰ্বজ্ঞান আৰু অভিজ্ঞতা ঃ** পূৰ্বজ্ঞান, অভিজ্ঞতা আৰু বৰ্তমান জ্ঞান অভিজ্ঞতাৰ মাজত যদি ছাত্ৰ-ছাত্ৰীয়ে সংযোগ স্থাপন কৰিব নোৱাৰে তেন্তে তেওঁলোকে বাৰ্তা সঠিকভাৱে গ্ৰহণ কৰিব নোৱাৰে।

ii) **সাংস্কৃতিক অসমতা আৰু প্ৰজন্ম ব্যৱধান ঃ** সাংস্কৃতিক অসমতা আৰু প্ৰজন্মৰ পাৰ্থক্যয়ো যোগাযোগত বাধাৰ সৃষ্টি কৰে।

(৪) **সাংগঠনিক বাধা ঃ**

i) **নীতি-নিয়ম ঃ** কঠোৰ নীতি-নিয়ম আৰু অনুশাসনে শ্ৰেণীকোঠাৰ যোগাযোগত বাধাৰ সৃষ্টি কৰে।

ii) **সহযোগিতাৰ অভাৱ ঃ** প্ৰেৰক আৰু গ্ৰাহকসকলৰ মাজত সহযোগিতা নাথাকিলেও শ্ৰেণীকোঠাৰ যোগাযোগত বাধাৰ সৃষ্টি কৰে।

iii) **দলৰ আকাৰ ঃ** দলৰ আকাৰৰ ওপৰতো যোগাযোগ প্ৰক্ৰিয়া নিৰ্ভৰ কৰে। সকলো ছাত্ৰ-ছাত্ৰীক যদি শিক্ষকে সমভাৱে যোগাযোগ কৰিব নোৱাৰে তেন্তে যোগাযোগৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়।

**যোগাযোগৰ বাধাদানকাৰী দিশবোৰ আঁতৰোৱা পদ্ধতি—**

(১) **দৈহিক বাধা নিৰাময়**

i) ছাত্ৰ-ছাত্ৰীৰ বহা আসনৰ সুব্যৱস্থা কৰা উচিত।

ii) শিক্ষণীয় পৰিৱেশ অনুকূল হ'ব লাগে।

iii) শ্ৰেণীকোঠাত নিৰৱতা অৱলম্বন কৰা উচিত।

iv) শ্ৰেণীকোঠাত উপযুক্তভাৱে দেখা আৰু শুনাৰ ব্যৱস্থা কৰিব লাগে।

(২) **ভাষিক বাধা নিৰাময়**

i) প্ৰেৰকসকলে (শিক্ষকসকলে) সহজ-সৰল ভাষা ব্যৱহাৰ কৰিব লাগে।

ii) নতুন নতুন চিত্ৰ আৰু চিহ্নবোৰৰ বিষয়ে শিক্ষকে বুজাই দিব লাগে।

iii) দৃশ্য-শ্ৰাব্য সঁজুলিৰ প্ৰয়োগ কৰিব লাগে।

iv) তাৎক্ষণিক প্ৰতিপুষ্টিৰ ব্যৱস্থা কৰা উচিত।

v) প্ৰসংগপুথি, হাতপুথি আদি আৰু অন্যান্য লিখিত সজুঁলিবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সহজলভ্য হ'ব লাগে।

(৩) **মনোবৈজ্ঞানিক বাধা নিৰাময়**

i) শিক্ষানুষ্ঠানত পুৰস্কাৰ ব্যৱস্থাৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ মনত অনুপ্ৰেৰণা আৰু আগ্ৰহ সৃষ্টি কৰিব লাগে।

ii) নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ অসুস্থ মনোবাৰ, নিৰাশা বা হতাশাৰ মনোবাৰ, অন্ধবিশ্বাস, হীনমন্যতা আদি আঁতৰ কৰা উচিত।

iii) শিক্ষকসকলে নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত সমন্বয় সাধন কৰিবলৈ চেষ্টা কৰিব লাগে।

(৪) **সাংগঠনিক বাধা নিৰাময়**

i) প্ৰেৰক অৰ্থাৎ শিক্ষক আৰু গ্ৰাহক বা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সুস্থ সম্বন্ধ স্থাপন কৰাটো প্ৰয়োজন।

ii) দলৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰি যোগাযোগৰ মাধ্যম নিৰ্বাচন কৰিব লাগে।

**শ্ৰেণীকোঠাৰ সফল যোগাযোগৰ উপায়সমূহ**

(১) **দ্বি-পাক্ষিক যোগাযোগ ঃ** যোগাযোগ একপক্ষীয় নহৈ দ্বিপক্ষীয় হ'ব লাগে। কাৰণ এই যোগাযোগত প্ৰতিপুষ্টিৰ সুবিধা থাকে। এই যোগযোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে শুদ্ধকৈ বাৰ্তা গ্ৰহণ কৰিব পাৰে। ফলত শ্ৰেণীকোঠাৰ যোগাযোগ সফল হয়।

(২) **উপযুক্ত শিক্ষণৰ বাবে ফলপ্ৰসু প্ৰতিপুষ্ঠি ঃ** ফলপ্ৰসু প্ৰতিপুষ্ঠিয়ে যোগাযোগৰ কৃতকাৰ্য্যতা লাভ কৰাত সহায় কৰে। প্ৰেৰকস্বৰূপ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীয়ে উপযুক্তভাৱে বিষয়বস্তু বা বাৰ্তা গ্ৰহণ কৰিব পাৰিছেনে নাই এই বিষয়ে শিক্ষকে জনাটো উচিত। এই ক্ষেত্ৰত প্ৰতিপুষ্টিয়ে শিক্ষকসকলক যথেষ্ট সুবিধা প্ৰদান কৰে।

(৩) **যোগাযোগ আৰু স্পষ্টতাৰ নীতি ঃ** সহজ সৰল ভাষাৰ প্ৰয়োগ আৰু দৃশ্য-শ্ৰাব্য সঁজুলিৰ উপযুক্ত প্ৰয়োগে শ্ৰেণীকক্ষৰ যোগাযোগ সফল কৰিব পাৰে।

(৪) **অভিৰোচন বা প্ৰনোদনৰ বিকাশ ঃ** শ্ৰেণীকোঠাৰ যোগাযোগত অভিৰোচনে বিশেষভাৱে সহায় কৰে। এই ক্ষেত্ৰত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক প্ৰণোদিত কৰাটো প্ৰয়োজন। কাৰণ ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ মনত আগ্ৰহৰ সৃষ্টি কৰিব পাৰি। ফলত যোগাযোগ সফল হয়।

(৫) **শৈক্ষিক প্ৰযুক্তি বিজ্ঞানৰ প্ৰয়োগ ঃ** শ্ৰেণীকক্ষৰ সফল যোগাযোগৰ ক্ষেত্ৰত শৈক্ষিক প্ৰযুক্তি বিজ্ঞান আৰু নিৰ্দেশনাত্মক প্ৰযুক্তি বিজ্ঞান প্ৰয়োগ অতি তাৎপৰ্যপূৰ্ণ।

(৬) **শিক্ষণ কৌশল ঃ** শ্ৰেণীকোঠাৰ যোগাযোগত উপযুক্ত শিক্ষণ কৌশল প্ৰয়োগ কৰাটো প্ৰয়োজন। কাৰণ ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ আচৰণ সংশোধন কৰিব পাৰি। উপযুক্ত শিক্ষণ কৌশলে শিক্ষণ প্ৰক্ৰিয়া সফল কৰি তোলাত সহায় কৰে।

**প্ৰসংগ পুথি ঃ**


১) শৈক্ষিক প্ৰযুক্তি বিজ্ঞান - ড° ফুণু দাস শৰ্মা, ড° উৎপল কলিতা

২) Essentials of Educational Technology - S. K. Mangal, Uma Mangal